# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 2-FEB-2026
**Time :** 1800 HRS

# *Assamese Evening Bulletin*
————————————————————

## HEADLINES
:::::::::::::::::::

১। ৰাজ্যত উন্নত শিক্ষাৰ বাবে সুদৃঢ় ভেটি গঢ়াৰ লক্ষ্যৰে ৰাজ্যত ৬৭টা বিদ্যালয় ভৱন উদ্বোধন আৰু ৬২টা বিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন।

২। ২০২৬-২৭ বৰ্ষৰ বাজেটত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চল লৈ ৰে'ল আন্তঃগাঁথনিৰ বাবে পূৰ্বতকৈ পাঁচগুণ অধিক ধন ধাৰ্য্য।

৩। চৰকাৰী কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলিৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয় পৰ্যায়ৰ স্বাগত সতীৰ্থ প'ৰ্টেল মুকলি।

**আৰু**

৪। বিহালী অভয়াৰণ্যত তৃতীয়বাৰৰ বাবে পক্ষী গণনা।

ooooo

ৰাজ্যত উন্নত শিক্ষাৰ বাবে সুদৃঢ় ভেটি গঢ়াৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ভাৰ্চুৱেল ব্যৱস্থাৰে ৬৭টা বিদ্যালয় ভৱন উদ্বোধন কৰাৰ লগতে ৬২টা নতুন বিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰে। সোণাপুৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, ৭৬৫ কোটি টকা ব্যয় সাপেক্ষে এই বিদ্যালয়ৰ নতুন ভৱনসমূহ নিৰ্মাণ কৰি উলিওৱা হৈছে। ভৱনসমূহৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্যসূচীত বিধানসভা সমষ্টি অনুসৰি বিধায়কসকলো উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত অংশ লোৱাৰ পাছত সাংবাদিকৰ আগত কয়, যে ৰাজ্যৰ একাংশ পুৰণি বিদ্যালয় নতুন ৰূপত নিৰ্মাণ কৰি আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে পদক্ষেপ লৈছে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

নতুনকৈ নিৰ্মাণ কৰা বিদ্যালয়সমূহত কম্পিউটাৰ কক্ষ, স্মাৰ্ট শ্ৰেণীকোঠা, অধ্যক্ষৰ কক্ষ, শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণীকোঠা, পৰীক্ষাগাৰ, ল'ৰা-ছোৱালীৰ পৃথক শৌচাগাৰ আদিৰ ব্যৱস্থা আছে। আধুনিক সা-সুবিধাযুক্ত এই শৈক্ষিক আন্তঃগাথনিয়ে বিশ্বমানৰ জ্ঞান অন্বেষণৰ যাত্ৰাত ৰাজ্যৰ শিক্ষাৰ্থীসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

আজি মুকলি কৰা বিদ্যালয়ভৱন সমূহৰ ভিতৰত শোণিতপুৰ জিলাৰ আঠখন চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱন আছে। জিলাখনত আজি ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত খনামুখ উচ্চতৰ মাধ্যমিক

বিদ্যালয়ৰ নৱনির্মিত ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। ঢেকীয়াজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনির্মিত শৈক্ষিক ভৱনটো আজি মন্ত্রী অশোক সিংহালে উদ্বোধন কৰে। এই ভৱনটোত ১৮ টা শ্রেণী কোঠা, দুটা স্মার্ট শ্রেণীকোঠা, তিনিটা পৰীক্ষাৰ, এটা কম্পিউটাৰ কক্ষ, পুথি ভঁৰাল আৰু শিক্ষক-শিক্ষয়িত্রীৰ জিৰনি কোঠা আছে। মিছামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন বিধায়ক গণেশ কুমাৰ লিম্বুৱে আৰু পানপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় ভৱন বিধায়ক পদ্ম হাজৰিকাই উদ্বোধন কৰে। কাছৰ জিলাৰ ঢলাইত মন্ত্রী কৌশিক ৰায়ে আঠ কোটি টকা ব্যয় সাপেক্ষে নির্মাণ কৰা বৰজালেংগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভৱন উদ্বোধন কৰে। ওদালগুৰি জিলাৰ পুৰণি টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ছৈবাৰী বিদ্যার্থী হাইস্কুলৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। ডিব্রুগড় জিলাত জয়পুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নির্মাণ কার্য আজি নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈয়ে শুভাৰম্ভ কৰে। পশ্চিম কার্বি আংলং জিলাৰ হামৰেনত আজি বৈঠালাংচ' সমষ্টিৰ বিধায়ক ৰূপসিং টেৰনে জিৰছং হাইস্কুলৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰে।

মৰিগাঁও জিলাৰ জাগীৰোডত জলসম্পদ মন্ত্রী তথা স্থানীয় বিধায়ক পীযুষ হাজৰিকাই এই আঁচনিৰ অধীনত নৱ নির্মিত নতুন ভৱন উদ্বোধন কৰে। এই অনুষ্ঠানত জিলা আয়ুক্ত অনামিকা তিৱাৰী প্রমুখ্যে ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। হোজাই জিলাৰ শ্রীমন্ত শংকৰদেৱ নগৰত আয়োজিত অনুষ্ঠানত বিধায়ক ৰামকৃষ্ণ ঘোষে ৪ কোটি ৫৫ লাখ টকা ব্যয়ৰে নির্মাণ হ'বলগীয়া শংকৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ নতুন গৃহৰ আধাৰশিলা স্থাপন কৰে।

ooooo

সংসদত কালি দাখিল হোৱা কেন্দ্রীয় বাজেটত ৰে'ল বিভাগৰ বাবে আৱণ্টন সন্দৰ্ভত আজি উত্তৰ-পূৱ সীমান্ত ৰে'লৱেৰ মহাপ্রবন্ধক চেতন কুমাৰ শ্রীবাস্তৱে এখন সংবাদ মেল সম্বোধন কৰে। তেওঁ কয়, যে এই বাজেটত অসমকে ধৰি উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্য কেইখনলৈ ৰে'ল আন্তঃগাঁথনিৰ বাবে পূর্বতকৈ পাঁচগুণ অধিক ধন ধার্য্য কৰা হৈছে। মহা প্রবন্ধকগৰাকীয়ে কয়, যে ২০০৯ চনৰ পৰা ২০১৪ চনৰ ভিতৰত অঞ্চলটোলৈ বার্ষিক ৰে'ল বাজেটৰ পৰিমাণ আছিল দুহেজাৰ ১২২ কোটি টকা। এইবাৰৰ বাজেটত এই পৰিমাণ ১১ হাজাৰ ৪৮৬ কোটি টকালৈ বৃদ্ধি পাইছে। তদুপৰি সমগ্র উত্তৰ-পূর্বাঞ্চলত ৭২ হাজাৰ কোটি টকাৰ ৰে'ল প্রকল্পৰ কাম চলি আছে বুলি তেওঁ উল্লেখ কৰে।

*(বাইট)*

ooooo

চৰকাৰী কর্মচাৰীসকলৰ পাৰস্পৰিক বদলিৰ বাবে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই আজি আনুষ্ঠানিকভাৱে দ্বিতীয় পর্যায়ৰ স্বাগত সতীর্থ প'র্টেল মুকলি কৰে। তৃতীয় আৰু চতুর্থবর্গৰ কর্মচাৰীসকলে এই প'র্টেলৰ জৰিয়তে পাৰস্পৰিক বদলিৰ বাবে আবেদন জনাব পাৰিব। এই পোর্টেল মুকলিৰ ফলত ডিজিটেল প্রশাসন ব্যৱস্থা অধিক কার্যকৰী হোৱাৰ লগতে চৰকাৰী কর্মচাৰীৰ বদলিৰ প্রক্রিয়াটো পূর্বতকৈও নিকা হ'ব বুলি মুখ্যমন্ত্রী নিজৰ ভাষণত উল্লেখ কৰে।

ooooo

বিহালী অভয়াৰণ্যত তৃতীয়বাৰৰ বাবে পক্ষী গণনা আৰম্ভ হৈছে। ২০২২ চনৰ ৪ মে'ত অসম চৰকাৰে সংৰক্ষিত বনাঞ্চলৰ পৰা অভয়াৰণ্যলৈ উন্নীত কৰা চিৰ সেউজ বিহালী অভয়াৰণ্যত বহু দুষ্প্ৰাপ্য প্ৰজাতিৰ পক্ষী, উদ্ভিদ আৰু জীৱ-জন্তু আছে। ৩০ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই পক্ষী গণনা সন্দৰ্ভত আজি বৰগাং বনাঞ্চলিক বিষয়া চন্দন ৰাজখোৱাই সংবাদমেল যোগে সদৰী কৰে। তেওঁ কয়, যে বিগত বছৰৰ গণনাত ১৯৭টা প্ৰজাতিৰ পক্ষী পোৱা গৈছিল। চলিত বছৰত পক্ষীৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ উল্লেখ কৰে। এই গণনাত কেইবাগৰাকীও পক্ষী বিশেষজ্ঞই অংশ লয়। গণনাৰ সময়চোৱাত দলটোৱে ৭টা দুষ্প্ৰাপ্য প্ৰজাতিৰ বান্দৰ, শৰপহু আৰু অন্য বিভিন্ন প্ৰজাতিৰ জীৱ-জন্তু প্ৰত্যক্ষ কৰে।

ooooo

সংসদৰ দুয়োখন সদনত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ সাংসদ সৰ্বানন্দ সোণোৱালে লোকসভাত এই প্ৰস্তাৱ উত্থাপন কৰি ৰাষ্ট্ৰপতিৰ ভাষণক প্ৰনিধান যোগ্য বুলি মতপ্ৰকাশ কৰাৰ লগতে এই ভাষণে দেশৰ ভৱিষ্যৎ সন্দৰ্ভত উৎসাহজনকভাৱে আলোকপাত কৰিছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে এই ভাষণে চৰকাৰৰ সামাজিক ন্যায়ৰ দৃষ্টিভংগী, সৰ্বাত্মক বিকাশ আৰু বিকশিত ভাৰতৰ প্ৰতি দায়বদ্ধতাক প্ৰতিফলিত কৰিছে। শ্ৰীসোণোৱালে কয়, যে ২০১৪ চনত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা দেশে দ্ৰুত বিকাশ আৰু সৰ্বাত্মাক প্ৰগতিৰ দিশে অগ্ৰসৰ হৈছে। সম্প্ৰতি ভাৰত বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হৈছে বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰত্যক্ষ লাভ হস্তান্তৰ যোজনাৰ জৰিয়তে হিতাধিকাৰীসকলৰ একাউণ্টত ৪৪ লাখ টকা হস্তান্তৰ কৰা হৈছে। চৰকাৰৰ কল্যাণমূলক আঁচনিৰ পৰিপ্ৰেক্ষিতত ২৫ কোটি লোক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

(বাইট)

ooooo

ৰে'ল বিভাগে ৰাজধানী এক্সপ্ৰেছ আৰু শৰাইঘাট এক্সপ্ৰেছকে ধৰি কেইবাখনো ৰে'লগাড়ীৰ নতুন আস্থানত অনুমোদন জনাইছে। সেই অনুসৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেৰে ডিব্ৰুগড় আৰু নতুন দিল্লীৰ মাজত চলাচল কৰা ২০৫০৫ আৰু ২০৫০৬ ৰাজধানী এক্সপ্ৰেছ দুখন এতিয়াৰে পৰা ধেমাজি ষ্টেচনত ৰখোৱা ব্যৱস্থা কৰা হৈছে। ৰে'ল বোৰ্ডে জনোৱা অনুমোদন মৰ্মে অহা ৬ ফেব্ৰুৱাৰীৰ পৰা ডিব্ৰুগড়ৰ পৰা যাত্ৰা কৰা এই ৰে'লগাড়ীখন নিশা ১০ বাজি ৪২ মিনিটত ২ মিনিটৰ বাবে ধেমাজি ষ্টেচনত ৰখোৱা হ'ব। সেইদৰে নতুন দিল্লীৰ পৰা ২০৫০৬ ৰাজধানী এক্সপ্ৰেছখন মাজনশিা ১ বাজি ২২ মিনিটত ২ মিনিটৰ বাবে ধেমাজি ষ্টেচনত ৰখোৱা হ'ব।

গুৱাহাটী আৰু লিডুৰ মাজত চলাচল কৰা ১৫৬০৩ আৰু ১৫৬০৪ এক্সপ্ৰেছ দুখন ৬ ফেব্ৰুৱাৰীৰ পৰা কমাৰবন্ধা আলি ষ্টেচনত ২ মিনিটৰ বাবে ৰখোৱাৰ ব্যৱস্থা কৰা হৈছে।

গুৱাহাটী আৰু হাওৰাৰ মাজত চলাচল কৰা ১২৩৪৫ আৰু ১২৩৪৬ নম্বৰৰ শৰাইঘাট এক্সপ্ৰেছ অহা ৬ ফেব্ৰুৱাৰীৰ পৰা গোৱালপাৰা ষ্টেচনত ২ মিনিটৰ বাবে ৰখোৱা হ'ব। একেদৰে শিলঘাট টাউন আৰু তাম্বৰমৰ মাজত চলাচল কৰা ১৫৬২৯ আৰু ১৫৬৩০ ৰে'লগাড়ীখনো ১৩ ফেব্ৰুৱাৰীৰ পৰা নলবাৰী ষ্টেচনত ২ মিনিটতকৈ ৰখোৱাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

হাইলাকান্দি জিলাৰ ঘাৰমূৰা সংৰক্ষিত বনাঞ্চলৰ ডামচৰা অঞ্চলত আজি বন বিভাগে উচ্ছেদ অভিযান চলায়। অঞ্চলটোৰ দুহেজাৰ ৮০০ বিঘা ভূমিত উচ্ছেদ চলোৱা হ'ব। প্ৰশাসনে প্ৰথম পৰ্যায়ত ৫, ৬ আৰু ৭ নম্বৰ চেক্টৰত উচ্ছেদ চলাব। এই অভিযানত প্ৰশাসনে আজি ১৫০ টা পৰিয়ালক উচ্ছেদ কৰে। উল্লেখযোগ্য যে বনাঞ্চলৰ ভূমি অবৈধভাৱে দখল কৰি থকা ৫২০ টা পৰিয়াললৈ বন বিভাগে উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছিল। উচ্ছেদৰ সময়ত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহ'বলৈ অঞ্চলটোত ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰা জাৰি কৰাৰ লগতে বৃহৎ নিৰাপত্তাৰক্ষীৰ দল নিয়োগ কৰা হৈছে।

০০০০০

সমাপ্ত